**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিক আৰু ৰাজহুৱা প্ৰতিনিধিসকলক সামাজিক সেৱা আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাক দৈনিক অভ্যাস কৰি ল'বলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত নতুন দিল্লীত হ'বলগীয়া ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সময়ত কেইবাখনো দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

৩। বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

৪। উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই নতুন দিল্লীত মণিপুৰৰ বাদ্যযন্ত্ৰী ছংথম বিক্ৰম সিঙৰ হত্যাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

আৰু

৫। বিশ্ব আৰ্চাৰী পেৰা শৃংখলাৰ তৃতীয় পৰ্যায়ত ভাৰতে পুৰুষৰ দলীয় শাখাত দুটা সোণৰ আৰু মহিলাৰ ৰিকাৰ্ভ শিতানত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিক আৰু ৰাজহুৱা প্ৰতিনিধিসকলক উন্নয়নমূলক আঁচনিৰ লাভ সমাজৰ শেষৰজন ব্যক্তিয়েও লাভ কৰাটো নিশ্চিত কৰাৰ লগতে সামাজিক সেৱা আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাক দৈনিক অভ্যাস কৰি ল'বলৈ আহ্বান জনাইছে। নৰছাৰিত আজি বিজেপিৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন কৰাৰ পাছত এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে আহ্বান জনায়।

বাইট (পি এম)

প্ৰধানমন্ত্ৰী স্বনিধি আঁচনিৰ ৰূপান্তৰকাৰী প্ৰভাৱৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে এই আঁচনিখনে ক্ষুদ্ৰ ব্যৱসায় আৰু পদপথৰ ব্যৱসায়ীসকলৰ বাবে বহনক্ষম ঋণ আৰু অত্যাধুনিক ডিজিটেল অনাদায় সুবিধা সুলভ কৰি বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰসাৰত সহায় কৰিছে। জনস্বাস্থ্য আৰু অনাময়ত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ আগমনৰ পূৰ্বে সৰ্বাত্মক চাফাই অভিযান চলোৱাৰ বাবে স্থানীয় প্ৰশাসন আৰু জনসাধাৰণক ভূয়সী প্ৰশংসা কৰে। তেওঁ লগতে নিৰ্ধাৰিত স্বাস্থ্য সেৱা আৰু পৰিপুষ্টি বিষয়ক প্ৰয়াসৰ জৰিয়তে নৰছাৰিক পুষ্টিহীনতামুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে চলোৱা প্ৰচেষ্টাৰ প্ৰশংসা কৰে। শ্ৰীমোদীয়ে জনকল্যাণৰ বাবে কৰা নিৰন্তৰ কামৰ বাবে দলীয় কৰ্মীসকলৰ শলাগ লয়। তেওঁ কয় যে দলৰ নতুন অত্যাধুনিক কাৰ্যালয়টোৱে জনসাধাৰণৰ ওজৰ-আপত্তি নিষ্পত্তিৰ সক্ৰিয়া কেন্দ্ৰ হিচাপে কাম কৰা উচিত।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত নতুন দিল্লীত হ'বলগীয়া ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সময়ত কেইবাখনো দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে এই কথা সদৰি কৰে। তেওঁ কয় যে এই দ্বিপাক্ষিক আলোচনাত ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ে স্থান লাভ কৰিব।

বাইট (জয়ছৱাল)

ৰাছিয়া-ইউক্ৰেইন সংঘৰ্ষ সন্দৰ্ভত মুখপাত্ৰ গৰাকীয়ে কয় যে ভাৰতে দুয়োপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে আৰু এই সংঘৰ্ষৰ অৱসান ঘটাব পৰা পৰামৰ্শ-অৱধাৰণাক লৈ কাম কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ

জয়শংকৰে অলপতে ইউক্ৰেইন আৰু পোলেণ্ড ভ্ৰমণ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। মুখপাত্ৰগৰাকীয়ে কয় যে ভাৰতে বৰ্তমান যুদ্ধৰ সময় নহয় আৰু যুদ্ধক্ষেত্ৰৰ পৰা কোনো সমস্যাৰ সমাধান নোলায় বুলি নিৰন্তৰ স্থিতি গ্ৰহণ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্তহীন যুদ্ধৰ  পৰিৱৰ্তে যুদ্ধৰ অৱসান হ'ব লাগে বুলি মন্তব্য কৰা বুলিও তেওঁ উল্লেখ কৰে।

নেপালৰ আকস্মিক বান সন্দৰ্ভত শ্ৰীজয়ছৱালে কয় যে ভাৰতে নেপালৰ চৰকাৰ আৰু জনসাধাৰণৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে। তেওঁ কয় যে ভাৰতে এই বিবধংসী বানৰ পাছতে দেশখনলৈ ততালিকে সাহায্য প্ৰেৰণ কৰিছে আৰু সাহায্য, উদ্ধাৰ আৰু পুনৰনিৰ্মাণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত সহায় আগবঢ়াই যাব। শ্ৰীজয়ছৱালে কয় যে বৰ্তমানলৈকে চুবুৰীয়া ৰাষ্ট্ৰখনলৈ সাতখন বিমানেৰে ৯৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে আৰু শীঘ্ৰেই দেশখনলৈ পুনৰ সামগ্ৰী প্ৰেৰণ কৰা হ'ব।

শ্ৰীজয়ছৱালে কয় যে ভাৰত আৰু চীনৰ সম্পৰ্ক ক্ৰমান্বয়ে সঠিক দিশত আগবাঢ়িছে। তেওঁ কয় যে সম্পৰ্ক স্বাভাৱিক হোৱা আৰু দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক বৃদ্ধি হোৱাটো অতিকে গুৰুত্বপূৰ্ণ।

অৰুণাচল প্ৰদেশৰ ৰাচা আৰু চীনৰ ফালে ডমাইত যোৱা দেওবাৰে অনুষ্ঠিত  জ্যেষ্ঠ সামৰিক কমাণ্ডাৰ পৰ্যায়ৰ প্ৰথমখন ফ্লেগ বৈঠক সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীজয়ছৱালে কয় যে পশ্চিম খণ্ডতো অনুৰূপ ব্যৱস্থা আছে। তেওঁ কয় যে ২০২৫ চনৰ আগষ্ট আৰু যোৱা আগষ্টত ভাৰত আৰু চীনৰ বিশেষ প্ৰতিনিধিৰ মাজৰ আৰু পৰামৰ্শ তথা সহযোগিতা কাৰ্যব্যৱস্থাৰ বৈঠকৰ সিদ্ধান্ত মৰ্মে কমাণ্ডাৰ পৰ্যায়ৰ এই আলোচনাৰ আয়োজন কৰা হয়।

০০০০০০

বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

১৯২৬ চনৰ আজিৰ দিনটোতে শদিয়াত জন্ম গ্ৰহণ কৰা ভূপেন হাজৰিকা এগৰাকী গীতিকাৰ, কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা, লেখক, সাংবাদিক আৰু ৰাজনীতিবিদ হিচাপে সু-পৰিচিত আছিল। ২০১১ চনৰ ৫ নৱেম্বৰত মৃত্যু হোৱা শিল্পীগৰাকীৰ এইবেলি জন্ম শতবৰ্ষ বছৰজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ গীত-মাত তথা সৃষ্টিৰাজিক ধৰি ৰখাৰ প্ৰয়াসেৰে অসমৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰূপায়িত শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠানৰ অংশ হিচাপে আজি জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা সমন্বয় তীৰ্থত উপস্থিত হৈ স্বনামধন্য শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে ১০০ গৰাকী শিল্পীয়ে 'বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে' শীৰ্ষক গীতটি পৰিৱেশন কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই শিল্পীগৰাকীৰ জীৱন, কৰ্ম আৰু চিন্তাক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে ইনষ্টা ৰীল প্ৰতিযোগিতাও মুকলি কৰে।

শিল্পীগৰাকীৰ বছৰজোৰা জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান ২৯ নৱেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই নতুন দিল্লীত মণিপুৰৰ বাদ্যযন্ত্ৰী ছংথম বিক্ৰম সিঙৰ হত্যাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিগৰাকী ব্যক্তিৰ নিৰাপত্তা আৰু মৰ্যাদাৰ বিষয়টোক লৈ কোনো কাৰণতে আপোচ কৰিব নোৱাৰি। তেওঁ ঘটনাৰ সৈতে জড়িত দুস্কৃতিকাৰীসকলক আইন অনুযায়ী কঠোৰ শাস্তি বিহাৰ বাবে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু পুংখানুপুংখ তদন্ত কৰিবলৈ দিল্লী আৰক্ষীৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে প্ৰয়াত বাদ্যযন্ত্ৰীগৰাকীৰ পৰিয়াল আৰু বন্ধুবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

আৰক্ষীয়ে প্ৰকাশ কৰা মতে দিল্লীত শাৰিৰীক নিৰ্যাতনৰ বলি হোৱাৰ পাছত ছংথম বিক্ৰম সিঙৰ মৃত্যু হোৱা বুলি অভিযোগ উঠিছে। দক্ষিণ-পূব দিল্লীৰ আৰক্ষী উপায়ুক্ত বিনীত কুমাৰে এই ঘটনা সংক্ৰান্তত ৭জন লোকক গ্ৰেপ্তাৰ আৰু এজন কিশোৰক আটক কৰা হৈছে বুলি জানিবলৈ দিছে।

০০০০০০

এমনেষ্টি ইণ্টাৰনেশ্যনেলে মানৱ অধিকাৰ অধিবক্তা ইমান মজাৰী হাজিৰ আৰু হাদি আলী ছট্থাক ততালিকে আৰু নিঃচৰ্তভাৱে মুকলি কৰি দিবলৈ পাকিস্তান চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। সংস্থাটোৱে অধিবক্তা হাজিৰ আৰু হাদি আলীক দীৰ্ঘদিন কৰি কাৰাবন্দী কৰি ৰখাৰ ফলত চাইবাৰ অপৰাধ বিৰোধী আইনৰ অপব্যৱহাৰৰ আশংকাই দেখা দিয়া বুলি প্ৰকাশ কৰিছে। পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহৱাজ শ্বৰীফলৈ লিখা এখন পত্ৰত এমনেষ্টি ইণ্টাৰনেচনেলে দুদিন পূৰ্বে আগতীয়া জামিন মঞ্জুৰ হোৱা সত্বেও যোৱা ২৩ জানুৱাৰীক এই অধিবক্তা দুগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছিল বুলি উল্লেখ কৰিছে। ২৪ জানুৱাৰীত ইছলামাবাদৰ জিলা আৰু চেচন আদালতে বৈদ্যুতিন অপৰাধ প্ৰতিৰোধী আইনৰ অধীনত ১০ৰ পৰা ১৭ বছৰ কাৰাদণ্ড বিহিছিল। এমনেষ্টি ইণ্টাৰনেচনেলে প্ৰকাশ কৰা মতে এই গোচৰটো সামাজিক মাধ্যমৰ পোষ্টৰ সৈতে জড়িত। ইমান মজাৰী হাজিৰে এই পোষ্টৰ জৰিয়তে বেলুচ আৰু পষ্টুনৰ হকে কাম কৰি অহা কৰ্মীসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছিল আৰু পাকিস্তানৰ সেনাবাহিনীৰ নীতিৰ সমালোচনা কৰিছিল। ইয়াৰ বিপৰীতে ছট্থাই এই পোষ্ট শ্বেয়াৰ কৰিছিল।

০০০০০০

আহমেদাবাদত চলি থকা বিশ্ব আৰ্চাৰী পেৰা শৃংখলাৰ তৃতীয় পৰ্যায়ৰ প্ৰতিযোগিতাত ভাৰতে আজি পুৰুষৰ দলীয় শাখাত দুটা সোণৰ আৰু মহিলাৰ ৰিকাৰ্ভ শিতানত এটা ৰূপৰ পদক অৰ্জন কৰে। পুৰুষৰ কম্পাউণ্ড দলীয় শাখাত বৰ্তমানৰ বিশ্ব চেম্পিয়ন টোমন কুমাৰ আৰু শ্যাম সুন্দৰ স্বামীয়ে ইৰাকৰ আববাছ কাধিম আৰু আনৱাৰ আলদাৰ'দৰ যুটীক ১৫২-১৩৯ৰ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। দুবাৰকৈ পেৰালিম্পিকত পদক বিজেতা হৰবিন্দৰ সিং আৰু বিজয় ছুণ্ডিৰ যুটীটোৱে শ্লোভাকিয়াৰ ডেভিদ ইভান আৰু ডেনিছ ইভানৰ যুটীক ৰিকাৰ্ভৰ পুৰুষৰ দলীয় শিতানত ৬-২, ৬-২ত পৰাস্ত কৰি সোণৰ পদক লাভ কৰে। ইপিনে, মহিলাৰ ৰিকাৰ্ভ দলীয় শিতানত ভাৰতৰ ভাৱনা আৰু পূজাই চীনৰ যুটীৰ হাতত ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক অৰ্জন কৰে।

০০০০০০

***সমাপ্ত***